
ICSSR Sponsored Seven-Day National Workshop
On
Research Methodology and Training Programme
in Social Science Research
Organized by
MORAN MAHILA MAHAVIDYALAYA &
Institute of Tai Studies and Research
GPS Map Camera
Google
Moranhat, Assam, India
171, Kaalibaari, Moranhat, Assam 785670, India
Lat 27.176431° Long 94.912842°
20/04/2025 10:36 AM GMT +05:30


ICSSR Sponsored Seven-Day National Workshop
On
Research Methodology and Training Programme
in Social Science Research
Organized by
MORAN MAHILA MAHAVIDYALAYA &
Institute of Tai Studies and Research
GPS Map Camera
Moranhat, Assam, India
171, Kaalibaari, Moranhat, Assam 785670, India
Lat 27.176533° Long 94.912734°
20/04/2025 10:34 AM GMT +05:30
Google


GPS Map Camera
Google
Moranhat, Assam, India
171, Kaalibaari, Moranhat, Assam 785670, India
Lat 27.176421° Long 94.912607°
20/04/2025 10:51 AM GMT +05:30


GPS Map Camera
Google
Moranhat, Assam, India
171, Kaalibaari, Moranhat, Assam 785670, India
Lat 27.176423° Long 94.912732°
20/04/2025 11:00 AM GMT +05:30


GPS Map Camera
Moranhat, Assam, India
171, Kaalibaari, Moranhat, Assam 785670, India
Lat 27.176426° Long 94.912733°
20/04/2025 11:00 AM GMT +05:30
Google


GPS Map Camera
Google
Moranhat, Assam, India
171, Kaalibaari, Moranhat, Assam 785670, India
Lat 27.176478° Long 94.912667°
20/04/2025 10:51 AM GMT +05:30

# মৰাণ মহিলা মহাবিদ্যালয়ত সাতদিনীয়া ৰাষ্ট্ৰীয় কৰ্মশালা

মৰাণ ঃ নিজা প্ৰতিবেদক, ২১ এপ্ৰিল ঃ মৰাণ মহিলা মহাবিদ্যালয়ৰ উদ্যোগত আৰু টাই অধ্যয়ন আৰু গৱেষণা প্ৰতিষ্ঠানৰ সহযোগত তথা আই চি এছ এছ আৰৰ পৃষ্ঠপোষকতাত 'সমাজ বিজ্ঞানৰ গৱেষণাত গৱেষণা পদ্ধতি আৰু প্ৰশিক্ষণ কাৰ্যসূচী' বিষয়ত আয়োজিত সাতদিনীয়া ৰাষ্ট্ৰীয় কৰ্মশালা আজিৰ পৰা আৰম্ভ হৈছে। অহা ২৬ এপ্ৰিললৈকে চলিবলগা সাতদিনীয়া কৰ্মশালাখনে সমাজ বিজ্ঞান বিষয়ৰ অন্তৰ্ভুক্ত - সমাজবিজ্ঞান, ৰাজনীতি বিজ্ঞান, অৰ্থনীতি, ইতিহাস, আন্তঃৰাষ্ট্ৰীয় অধ্যয়ন, ভূগোল, মনোবিজ্ঞান, পৰিৱেশ বিজ্ঞান, আইন, বাণিজ্য, পৰিসংখ্যা, শিক্ষা, ভাষা-সাহিত্য আৰু মহিলা অধ্যয়নৰ বিভাগসমূহক সামৰি লৈছে। মৰাণ মহিলা মহাবিদ্যালয় আলোচনা কক্ষত আজি ভাৰতীয় সমাজ বিজ্ঞান গৱেষণা পৰিষদৰ নেশ্যনেল ফেল', অৱসৰপ্ৰাপ্ত অধ্যাপক ড° গিৰীণ ফুকনৰ সঞ্চালনাত অনুষ্ঠিত কৰ্মশালাৰ উদ্বোধনী অনুষ্ঠানত আদৰণী ভাষণ প্ৰদান কৰে মৰাণ মহিলা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° তৰুণ গগৈয়ে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ ডীন অধ্যাপিকা ড° ডলী ফুকন মুখ্য বক্তা হিচাপে উপস্থিত থাকে। ইয়াৰ উপৰি পৰিচালনা সমিতিৰ সভাপতি ড° ৰাজেন্দ্ৰ প্ৰসাদ বৰঠাকুৰ আৰু দিল্লীৰ বিজ্ঞান আৰু গৱেষণাৰ পৰামৰ্শদাতা ড° সন্দীপন তালুকদাৰ বিশিষ্ট অতিথি হিচাপে অনুষ্ঠানত উপস্থিত থাকে। এই কৰ্মশালাত অসমৰ বিভিন্ন প্ৰান্তৰ কেইবাখনো মহাবিদ্যালয়-বিশ্ববিদ্যালয়ৰ ৬০জন শিক্ষক, অধ্যাপক আৰু গৱেষকে অংশগ্ৰহণ কৰিছে। আগন্তুক কৰ্মশালাৰ দিনকেইটাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক, ড° প্ৰাঞ্জল বুঢ়াগোহাঁই, ইংৰাজী বিভাগৰ অধ্যাপক ড° লক্ষীপ্ৰিয়া গগৈ, সমাজশাস্ত্ৰ বিভাগৰ অধ্যাপক ড° বিকাশ ডেকা, ড° উৎপল দাস, ড° কাকলি গগৈ আদিয়ে সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰিব। অধ্যাপিকা মুছফিকা বেগমে আঁত ধৰা অনুষ্ঠানৰ শেষত অধ্যাপক অৰুণ বৰুৱাই শলাগৰ শৰাই আগবঢ়ায়।

# মৰাণ মহিলা মহাবিদ্যালয়ত সপ্তাহজোৰা ৰাষ্ট্ৰীয় কৰ্মশালা

'আমাৰ অসম'ৰ চৰাইদেউৰ প্ৰতিনিধি, ২১ এপ্ৰিল ঃ উজনি অসমৰ অন্যতম নাৰী উচ্চ শিক্ষা প্ৰতিষ্ঠান মৰাণ মহিলা মহাবিদ্যালয় আৰু তাই অধ্যয়ন আৰু গৱেষণা প্ৰতিষ্ঠানৰ সহযোগত তথা আইচিএছএছআৰৰ পৃষ্ঠপোষকতাত 'সমাজ বিজ্ঞানৰ গৱেষণাত গৱেষণা পদ্ধতি আৰু প্ৰশিক্ষণ কাৰ্যসূচী' শীৰ্ষক বিষয়ত মৰাণ মহিলা মহাবিদ্যালয়ত এখন সাতদিনীয়া ৰাষ্ট্ৰীয় কৰ্মশালা কালিৰ পৰা আৰম্ভ হৈছে। ২০ এপ্ৰিল পৰা ২৬ এপ্ৰিললৈকে সম্পন্ন হ'বলগীয়া সাতদিনীয়া কৰ্মশালাখনে সমাজ বিজ্ঞান বিষয়ৰ অন্তৰ্ভুক্ত— সমাজবিজ্ঞান, ৰাজনীতি বিজ্ঞান, অৰ্থনীতি, ইতিহাস, আন্তঃৰাষ্ট্ৰীয় অধ্যয়ন, ভূগোল, মনোবিজ্ঞান, পৰিৱেশ বিজ্ঞান, আইন, বাণিজ্য, পৰিসংখ্যা, শিক্ষা, ভাষা-সাহিত্য আৰু মহিলা অধ্যয়নৰ বিভাগসমূহক সামৰি লৈছে। এই উপলক্ষে মৰাণ মহিলা মহাবিদ্যালয় আলোচনা কক্ষত কালি ভাৰতীয় সমাজ বিজ্ঞান গৱেষণা পৰিষদৰ নেশ্বনেল ফেল', অৱসৰপ্ৰাপ্ত অধ্যাপক ড° গিৰীণ ফুকনৰ সঞ্চালনাত অনুষ্ঠিত কৰ্মশালাখনৰ উদ্বোধনী অনুষ্ঠানত আদৰণী ভাষণ আগবঢ়ায় মৰাণ মহিলা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° তৰুণ গগৈয়ে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ ডীন অধ্যাপিকা ড° ডলী ফুকন মুখ্য বক্তা হিচাপে উপস্থিত থকা কৰ্মশালাৰ উদ্বোধনী অনুষ্ঠানত পৰিচালনা সমিতিৰ সভাপতি ড° ৰাজেন্দ্ৰ প্ৰসাদ বৰঠাকুৰ আৰু ড° সন্দিপন তালুকদাৰ বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। কৰ্মশালাখনত অসমৰ বিভিন্ন প্ৰান্তৰ কেইবাখনো মহাবিদ্যালয়-বিশ্ববিদ্যালয়ৰ ৬০জন শিক্ষক, অধ্যাপক আৰু গৱেষকে অংশগ্ৰহণ কৰিছে। কৰ্মশালাৰ আগন্তুক দিনকেইটাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক ড° প্ৰাঞ্জল বুঢ়াগোহাঁই, ইংৰাজী বিভাগৰ অধ্যাপক ড° লক্ষীপ্ৰিয়া গগৈ, সমাজশাস্ত্ৰ বিভাগৰ অধ্যাপক ড° বিকাশ ডেকা, ড° উৎপল দাস, ড° কাকলি গগৈ আদিয়ে সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰিব। উদ্বোধনী অনুষ্ঠানৰ আঁত ধৰে অধ্যাপিকা মুছফিকা বেগমে।


OF TAI STUDIES & RESEARCH
ICSSR Sponsored Seven-Day National Workshop On
Research Methodology and Training Programme
in Social Science Research
Organized by
Moran Mahila Mahavidyalaya &
Institute of Tai Studies and Research, Moranhat, Charaideo

# মৰাণত কৰ্মশালাৰ সামৰণি

**প্ৰতিদিন বিশেষ সেৱা, মৰাণ, ২৬ এপ্ৰিল ঃ** মৰাণৰ টাই অধ্যয়ন আৰু গৱেষণা প্ৰতিষ্ঠান আৰু মৰাণ মহিলা মহাবিদ্যালয়ৰ যৌথ উদ্যোগত যোৱা ২০ এপ্ৰিলৰ পৰা ভাৰত চৰকাৰৰ মানৱ সম্পদ মন্ত্ৰালয়ৰ অধীনৰ ভাৰতীয় সমাজ বিজ্ঞান গৱেষণা পৰিষদৰ সহযোগত সমাজ বিজ্ঞানৰ গৱেষণাৰ বিষয়ত সম্পন্ন সাদিনীয়া ৰাষ্ট্ৰীয় কৰ্মশালা আজি সামৰণি পৰে। আজি পুৰা দহ বজাৰ পৰা টাই অধ্যয়ন আৰু গৱেষণা প্ৰতিষ্ঠান, মৰাণহাটৰ সভাকক্ষত প্ৰতিষ্ঠানটোৰ সঞ্চালক তথা ভাৰতীয় সমাজ বিজ্ঞান গৱেষণা পৰিষদৰ ৰাষ্ট্ৰীয় সহযোগী ড° গিৰীন ফুকনৰ সঞ্চালনাত অনুষ্ঠিত সামৰণী অনুষ্ঠানটোত মূল বিষয়ৰ ওপৰত বক্তব্য আগবঢ়ায় টাটা ইনষ্টিটিউট অব্ ছ'চিয়েল ছায়েন্স, গুৱাহাটীৰ অধ্যাপক ড° অভিনন্দন শইকীয়াই। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ভিন্ন প্ৰান্তৰ পৰা অৰ্ধশতাধিক গৱেষক-গৱেষিকাসহ আন আন বিশিষ্ট ব্যক্তিৰ উপস্থিতিত সম্পন্ন সামৰণী অনুষ্ঠানটোত কৰ্মশালাৰ সমন্বয়ক তথা মৰাণ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° তৰুণ গগৈয়ে সাদিনীয়া কৰ্মশালাখন সফল পৰিসমাপ্তিত সকলো প্ৰকাৰে সহযোগিতা আগবঢ়োৱা অংশগ্ৰহণকাৰী তথা শুভাকাংক্ষীসকলক ধন্যবাদ জ্ঞাপন কৰে। সামৰণী অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা টাই অধ্যয়ন আৰু গৱেষণা প্ৰতিষ্ঠানৰ উপ-সঞ্চালক ড° নৱকুমাৰ সন্দিকৈ, টাই অধ্যয়ন আৰু গৱেষণা প্ৰতিষ্ঠানৰ সভাপতি জ্ঞানানন্দ ফুকন, সম্পাদক খগেন্দ্ৰ নাথ দিহিঙীয়াৰ উপৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। মৰাণ মহিলা মহাবিদ্যালয়ৰ অধ্যাপিকা ড° ৰীমা কটকীয়ে শলাগৰ শৰাই আগবঢ়োৱা অনুষ্ঠানটোত সাদিনীয়া কৰ্মশালাত অংশগ্ৰহণকাৰীসকলক একোখনকৈ মানপত্ৰ প্ৰদান কৰা হয়।



STITUTE OF TAI STUDIES & RESEARCH
ICSSR Sponsored Seven-Day National Workshop On
Research Methodology and Training Programme
in Social Science Research
Organized by
Moran Mahila Mahavidyalaya &
Institute of Tai Studies and Research, Moranhat, Charaideo